GAS S1 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন

প্রথম ষাণ্মাসিক

ঐচ্ছিক অসমীয়া

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° হৰি প্রসাদ বৰুৱা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি
২	ড° স্মৃতি ৰেখা ভূঞা গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী
৩, ৪ আৰু ৭	জোনমণি গগৈ (গৱেষিকা) গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী
৫	ড° মীৰা বৈশ্য জাগীৰোড মহাবিদ্যালয়, জাগীৰোড
৬	ড° বিমল মজুমদাৰ গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° দিলীপ বৰা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আর্হি কাকত ঃ খনিন্দ্র নাথ ডেকা, দৈনিক অসম, গুৱাহাটী

প্রথম প্রকাশ ঃ জুন, ২০১৭; পুনৰ মুদ্রণ ঃ মার্চ, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**অসমীয়া লিপি আৰু শাসন অধ্যয়ন** লিপিৰ ধাৰণা; ভাৰতীয় লিপি ঃ খৰোষ্ঠী লিপি, ব্ৰাহ্মী লিপি; অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ; অসমীয়া লিপিৰ যুগ বিভাজন ঃ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি, মধ্যযুগীয় অসমীয়া লিপি, আধুনিক অসমীয়া লিপি; কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি; চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি; লেখন সামগ্ৰী	৭-২৭
অধ্যায় ২ ঃ	**অসমীয়া সাহিত্যৰ যুগ বিভাজন** অসমীয়া সাহিত্যৰ যুগ বিভাজন ঃ হেমচন্দ্ৰ গোস্বামীৰ বিভাজন, দেবেন্দ্ৰনাথ বেজবৰুৱাৰ বিভাজন, বাণীকান্ত কাকতিৰ বিভাজন, ডিম্বেশ্বৰ নেওগৰ বিভাজন, সত্যেন্দ্ৰনাথ শৰ্মাৰ বিভাজন, মহেশ্বৰ নেওগৰ বিভাজন, হেমন্ত কুমাৰ শৰ্মাৰ বিভাজন, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সাহিত্যৰ বুৰঞ্জীৰ খণ্ডবিভাজন	২৮-৪৩
অধ্যায় ৩ ঃ	**অসমীয়া লোকসাহিত্য** লোকসাহিত্য বা মৌখিক সাহিত্য ঃ লোকগীত, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, সাধুকথা; ডাকৰ বচন; মন্ত্ৰ-সাহিত্য	৪৪-৫৮
অধ্যায় ৪ ঃ	**অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণি** চৰ্যাপদ; মিশ্ৰ অসমীয়া সাহিত্য ঃ *শ্ৰীকৃষ্ণ-কীৰ্ত্তন, শূন্যপুৰাণ,* নাথ সাহিত্য	৫৯-৭১
অধ্যায় ৫ ঃ	**প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্য** প্ৰাক্-শংকৰী যুগ ঃ হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলী	৭২-৯০
অধ্যায় ৬ ঃ	**শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য — ১** শংকৰী যুগৰ সাহিত্য; বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী; অসমীয়া গদ্যৰ উদ্ভৱ	৯১-১০৫
অধ্যায় ৭ ঃ	**শংকৰী যুগৰ অবৈষ্ণৱ সাহিত্য — ১** পাঁচালী সাহিত্য ঃ পীতাম্বৰ কবি, দুৰ্গাবৰ, মনকৰ, সুকবি নাৰায়ণদেৱ	১০৬ -১১৯
প্ৰসঙ্গ পুথি		১২০

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন

বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ ঐচ্ছিক তথা প্ৰধান অসমীয়াৰ প্ৰথম পাঠ্যবিষয়ৰ বাবে এই পাঠখনি প্ৰস্তুত কৰা হৈছে। এইখন পাঠ্যবিষয়ত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' আৰু 'অসমীয়া লিপি আৰু শাসন অধ্যয়ন'— এই দুই ধৰণৰ বিষয়বস্তুৰ আলোচনা সন্নিৱিষ্ট হৈছে। সাহিত্যৰ লগত লিপিৰ বিশেষ সম্পৰ্ক হোৱা হেতু আমাৰ এই পাঠ্যবিষয়ত অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ তথা অসমীয়া লিপিৰ লেখন সামগ্ৰীৰ বিষয়ে আলোচনা সন্নিৱিষ্ট কৰা হৈছে। মন কৰিবলগীয়া যে বিষয়বস্তু বা ভাবধাৰা আৰু ৰচনাৰীতিৰ পৰিৱৰ্তন অনুসৰি সাহিত্যৰ বুৰঞ্জী লেখকসকলে অসমীয়া সাহিত্যক কেইবাটিও স্তৰ বা যুগত ভাগ কৰিছে। অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ ক্ষেত্ৰত হেমচন্দ্ৰ গোস্বামী, ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা আদি সাহিত্যৰ ইতিহাসকাৰসকলৰ মতৰ মিল দেখা নাযায়। এই বিষয়েও পাঠ্যবিষয়খনত আলোচনা দাঙি ধৰা হৈছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জী বুলি ক'লে ইয়াৰ সময়সীমা বৰ্তমানলৈকে বিস্তৃত যদিও আমাৰ এইখন পাঠ্যবিষয়ত অসমীয়া সাহিত্যৰ আৰম্ভণিৰ সময়ৰ পৰা পৰা ১৯৭০ লৈকে ৰচিত অসমীয়া সাহিত্য সম্পৰ্কেহে আলোচনা দাঙি ধৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণিৰ পৰা একোখন কাকত/আলোচনীয়ে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে আৰু সেই কাকত/আলোচনীখনৰ আধাৰতে সাহিত্যৰ যুগ বিভাজনো কৰা গৈছে। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়খনক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে; প্ৰথম খণ্ডত সাতটা আধ্যায় আৰু দ্বিতীয়টো খণ্ডত আঠটা অধ্যায় থাকিব।

খণ্ড পৰিচয় ঃ খণ্ড - ১

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই পাঠবিষয়খনক সৰ্বমুঠ দুটা খণ্ডত বিভাজন কৰি লোৱা হৈছে আৰু প্ৰথম খণ্ডটোতো সাতটা অধ্যায় আছে। ইয়াৰে প্ৰথমটো অধ্যায়ৰ শিৰোনাম হ'ল — 'অসমীয়া লিপি আৰু শাসন অধ্যয়ন'। সাহিত্যৰ অধ্যয়নত লিপি তথা শাসন অধ্যয়নৰ গুৰুত্ব অপৰিসীম। সেই কথাকেই সাৰোগত কৰি লিপি মানে কি, ভাৰতীয় লিপিৰ ক্ৰমবিকাশৰ ধাৰণা প্ৰদান কৰি ব্ৰাহ্মীলিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ, অসমীয়া লিপিৰ লেখন সামগ্ৰী সম্পৰ্কে এই অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হৈছে। তাৰ লগতে কেইবাখনো লিপিৰ পৰিচয় আৰু বিশেষভাৱে কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি আৰু চামধৰা গড়ৰ ৰণজয় শিলালিপিৰ বিষয়ে আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

দ্বিতীয় অধ্যায়ত অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰা হৈছে। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলৰ মাজত অসমীয়া সাহিত্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে মতৰ মিল নাই। এই সকলোবোৰ কথাই অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে।

উদ্ভৱকালৰ অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰা হৈছে তৃতীয় অধ্যায়ত। ইয়াত অসমীয়া লোকসাহিত্য বা মৌখিক সাহিত্য সম্পৰ্কে সম্যক পৰিচয় দাঙি ধৰি তাৰে কেইটামান উপাদান — লোকগীত, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, সাধুকথা — আদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অসমীয়া লোকসাহিত্যৰ উল্লেখযোগ্য সম্পদ ডাকৰ বচন আৰু মন্ত্ৰ-সাহিত্যৰ বিষয়েও অধ্যায়টিত আলোচনা সন্নিৱিষ্ট কৰা গৈছে।

অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণি কালছোৱাৰ সাহিত্যৰাজিৰ বিষয়ে অলোচনা কৰা হৈছে চতুৰ্থ অধ্যায়ত। ইয়াত চৰ্যাপদ আৰু মিশ্ৰ অসমীয়া সাহিত্যৰ অন্তৰ্ভুক্ত সাহিত্যৰাজিৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে। এই খণ্ডটোৰ পঞ্চম অধ্যায়ত প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে অলোচনা কৰা হৈছে। এই সময়ছোৱাৰ পাঁচগৰাকী অসমীয়া সাহিত্যিকৰ সাহিত্যকৰ্মৰ আলোচনাই হ'ল অধ্যায়টোৰ বিষয়বস্তু।

শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য শীৰ্ষক ষষ্ঠ অধ্যায়টোত অসমীয়া সাহিত্যৰ কোনখিনি সময়ক শংকৰী যুগ বুলি অভিহিত কৰা হয় সেই বিষয়ে আলোকপাত কৰি সেই সময়ৰ সাহিত্যৰাজিক যে দুটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি সেয়া উল্লেখ কৰা হৈছে। তাৰ লগতে প্ৰথমটো ভাগ — বৈষ্ণৱ সাহিত্যলৈ অৱদান আগবঢ়োৱা মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতীৰ সাহিত্যকৃতি সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শংকৰদেৱৰ সমসাময়িক সময়তেই অসমীয়া গদ্য সাহিত্যৰো উদ্ভৱ ঘটিছিল। এই বিষয়েও অধ্যায়টোত আলোচনা সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যবিষয়খনৰ সপ্তম অধ্যায়ত শংকৰী যুগৰ অৱৈষ্ণৱ কবিসকলৰ সাহিত্যৰাজিৰ মূল আধাৰ কি আছিল আৰু কোন কোন কবিয়ে কি কি সাহিত্যকৰ্মৰ সৃষ্টি কৰিছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

blank